জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৬২/২০২০

# মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজি তথা অসম আৰোগ্য নিধিলৈ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তিয়ে আগবঢ়ালে বৰঙনি

**দিছপুৰ, ৭ এপ্ৰিলঃ** ক'ভিড-১৯ এ সৃষ্টি কৰা জটিল পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজি তথা অসম আৰোগ্য নিধিলৈ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান তথা ব্যক্তিয়ে বৰঙনি আগবঢ়াই আছে। মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ কালি মন্ত্ৰী প্ৰমীলা ৰাণী ব্ৰহ্মই ১ লাখ টকা আগবঢ়োৱাৰ পাছত আজি মন্ত্ৰী নৱ কুমাৰ দলেই ১.৫০ লাখ টকা, মন্ত্ৰী ভৱেশ কলিতাই ১.৫০ লাখ টকা, বিধায়ক বীৰভদ্ৰ হাগজেৰে ৬০ হাজাৰ টকা আৰু ষ্টাৰ চিমেণ্টে ৫০ লাখ টকাৰ বৰঙনি আগবঢ়ায়। ইয়াৰ উপৰি আজি হৰিপ্ৰদ ৰয় চৌধুৰীয়ে ৫০,১০০ টকা, বি আৰ পাৰ্কিঙে ২,৪২,৮১১ টকা, হেমন্ত কুমাৰ শইকীয়াই ১ লাখ টকা, বিমল বৰুৱাই ৫০ হাজাৰ টকা, শ্ৰীকৃষ্ণ প্ৰণামী ধৰ্মসভাই ৫০,১১১ টকা, ৰীমা ঘোষে ১,০০,০৯৯ টকা, শ্ৰী জৈন শ্বেতাম্বৰ টেৰাপন্থী সভাই ৫ লাখ টকা, আৰ্চডাইঅ'চিচ অৱ গুৱাহাটীয়ে ২ লাখ টকা, গুৱাহাটী গণসেৱা ছ'চাইটিয়ে ১ লাখ টকা, ৰাজধানী পাব্লিক স্কুলে ৮১ হাজাৰ টকা, শ্ৰীমন্ত শংকৰদেৱ সংঘ, গুৱাহাটী মহানগৰী জিলা শাখাই ৫০ হাজাৰ টকা আৰু বৃহত্তৰ বতাহঘুলি-পাঞ্জাবাৰী শ্ৰীশ্ৰী গণেশ মন্দিৰ সমিতিয়ে ৬১ হাজাৰ টকাৰ বৰঙনি আগবঢ়ায়। তদুপৰি অসম আৰোগ্য নিধিলৈ মা দুৰ্গা ষ্টোৰে ৫১ হাজাৰ টকা, প্ৰদীপ ঘোষে ৫০ হাজাৰ টকা, গোপাল ঘোষে ৫০ হাজাৰ টকা, আশিস ভট্টাচাৰ্যই ৫০ হাজাৰ টকা, আৰ বি কনষ্ট্ৰাকশ্যনে ১ লাখ টকা, পিণ্টু দেৱে ৫০ হাজাৰ টকা, মুনিন্দ্ৰ চন্দ্ৰ বৰাই ১ লাখ টকা, দাস ব্ৰাডাৰ্ছে ৫০ হাজাৰ টকা, লক্ষ্মীনাৰায়ণ দত্ত ষ্টোৰে ৫১ হাজাৰ টকা, ৰামদেৱ কেডিয়াই ৫০ হাজাৰ টকা, বি বি এণ্টাৰপ্ৰাইজে ২ লাখ টকা আৰু লাচিত ফুকনে ৫০ হাজাৰ টকাৰ বৰঙনি আগবঢ়ায়।

**প্ৰঃকুঃবঃ / পুঃডেঃ**
**৭/৪/২০২০**